**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। মহাৰাষ্ট্ৰৰ নাগপুৰত ভাৰতৰ অধ্যক্ষতাত আজিৰে পৰা তৃতীয় ব্ৰীকছ্ পৰিবহণ মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হৈছে।
২। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে সকলো শিক্ষাৰ্থী তথা কৰ্মচাৰীসকললৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শুভেচ্ছা জনাইছে।
৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি ওড়িশাৰ ভূবনেশ্বৰৰ ওড়িশা কৃষি আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ত ভাৰতৰ উচ্চ সামুদ্ৰিক মীন উৎসৰ বহনক্ষম ব্যৱহাৰৰ ৰাষ্ট্ৰীয় উদ্যোগৰ শুভাৰম্ভ কৰে।
৪। কৃষি যান্ত্ৰিকীকৰণৰ উপ-অভিযানৰ অধীনত চৰকাৰে বৰ্তমানলৈ সমগ্ৰ দেশৰ ব্যক্তিগত খেতিয়কসকললৈ ৯ হাজাৰ ৪০৪ কোটি টকা মূল্যৰ প্ৰায় ২২ লাখ কৃষি যন্ত্ৰ বিতৰণ কৰিছে।

**আৰু**

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত ফ্ৰান্স আৰু মৰক্কো প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত মুখামুখি হ'ব।

000000000

মহাৰাষ্ট্ৰৰ নাগপুৰত ভাৰতৰ অধ্যক্ষতাত আজিৰে পৰা তৃতীয় ব্ৰীকছ্ পৰিবহণ মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত ব্ৰীকছৰ সদস্য ৰাষ্ট্ৰসমূহৰ পৰিবহণ মন্ত্ৰীসকল আৰু জ্যেষ্ঠ বিষয়াবৰ্গই অংশগ্ৰহণ কৰিছে। ভাৰতৰ অধ্যক্ষতাৰ এই ব্ৰীকছ্ বৈঠকৰ বিষয়বস্তু হৈছে **সহনশীলতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতা নিৰ্মাণ**। কৰ্মগোটৰ বৈঠকৰ পাছত সংবাদ মাধ্যমক কেন্দ্ৰীয় পৰিবহন সচিব ভি উমাশংকৰে কয় যে জ্যেষ্ঠ বিষয়াসকলে নগৰ আন্তঃগাঁথনি, বহনক্ষম বিকাশ, গতিশীলতা আদি বিভিন্ন প্ৰধান প্ৰধান বিষয়ত মত বিনিময় কৰে। তৃতীয় ব্ৰিকছ্ পৰিবহন মন্ত্ৰীসকলৰ মূল বৈঠক ১১ আৰু ১২ জুলাইত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে ১১ জুলাইত বৈঠকত সভাপতিত্ব কৰিব। পৰিবহন কৰ্মীগোটৰ প্ৰথমখন বৈঠক ৰাছিয়াত আৰু দ্বিতীয়খন বৈঠক ব্ৰাজিলত অনুষ্ঠিত হৈছিল। নাগপুৰত তৃতীয়খন বৈঠকত আন্তৰ্জাতিক পৰিবহন সহযোগিতা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে।

000000000

অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে সকলো শিক্ষাৰ্থী তথা কৰ্মচাৰীসকললৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে স্বামী বিবেকানন্দৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এই সংস্থাই ছাত্ৰ শক্তিক সংগঠিত কৰি যুৱচামৰ মাজত দেশপ্ৰেমৰ ভাৱনা জগাই তুলিছে। তেওঁ কয়, যে কোনো জৰুৰীকালীন সময়তে হওঁক বা উত্তৰ-পূৰ্বাঞ্চলৰ অনুপ্ৰৱেশৰ সমস্যাই হওঁক, বিদ্যাৰ্থী পৰিষদে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সদায় যুৱচামক উৎসাহিত কৰি আহিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে ৰাষ্ট্ৰ প্ৰথম ধাৰণাৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰৰ সেৱা, নেতৃত্ব

আৰু সামাজিক দায়বদ্ধতাৰ দিশত দশকজুৰি অনুপ্ৰাণিত কৰি আহিছে। এই সংস্থাই জাতীয়তাবাদী ধাৰণা, ভাৰতীয় সংস্কৃতি, ৰাষ্ট্ৰীয় একতা আৰু সামাজিক চেতনা শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি শ্ৰী সিঙে উল্লেখ কৰে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি ওড়িশাৰ ভূৱনেশ্বৰৰ ওড়িশা কৃষি আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ত ভাৰতৰ উচ্চ সামুদ্ৰিক মীন উৎসৰ বহনক্ষম ব্যৱহাৰৰ ৰাষ্ট্ৰীয় উদ্যোগৰ শুভাৰম্ভ কৰে। নীল অৰ্থনীতিক ৰাষ্ট্ৰীয় সমৃদ্ধিৰ ৰূপান্তৰকাৰী ইঞ্জিনৰূপে আখ্যা দি শ্ৰীৰাধাকৃষ্ণণে বিকশিত ভাৰতৰ অংশ হিচাপে যুৱ সমাজক আধুনিক প্ৰযুক্তিকেন্দ্ৰিক মৎস্য পালন আৰু অন্যান্য সামুদ্ৰিক বৃত্তি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ওড়িশা গভীৰ সাগৰত মাছ ধৰা অভিযান ডকুমেণ্টৰো শুভাৰম্ভ কৰে। ভাৰতীয় খাদ্য ৰপ্তানিয়ে ৭৩ হাজাৰ কোটি টকা অতিক্ৰম কৰাৰ লগতে ১২০খন দেশলৈ এই খাদ্য ৰপ্তানি হয় বুলি তেওঁ উল্লেখ কৰে। শ্ৰীৰাধাকৃষ্ণণে গতিশীল নীল অৰ্থনীতিয়ে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলিও প্ৰকাশ কৰে।

০০০০০০০০০

চৰকাৰে ভাৰতক কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ আৰু কৃত্ৰিম বুদ্ধিমত্তা চালিত সমাধানৰ গোলকীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিছে। নতুন দিল্লীত আয়োজিত ভাৰতীয় উদ্যোগৰ গোলকীয় সামৰ্থ্য কেন্দ্ৰৰ ব্যৱসায় সন্মিলনৰ উদ্বোধনী সত্ৰত ইলেকট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ সচিব এছ্‌ কৃষ্ণনে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে আৰম্ভণিৰে পৰা কৃত্ৰিম বুদ্ধিমত্তাক ইতিবাচক আৰু আশাবাদী দৃষ্টিভংগীৰে চাই আহিছে। বিভিন্ন খণ্ডত উৎপাদনশীলতা আৰু দক্ষতা বৃদ্ধিৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলি সচিবগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ভাৰতে কৃত্ৰিম বুদ্ধিমত্তাক কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰি গোলকীয় কৃত্ৰিম বুদ্ধিমত্তা পৰিস্থিতি তন্ত্ৰত কিদৰে অৰিহণা যোগাব, সেই দিশত চৰকাৰে কাম কৰি আছে।

বাইট

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী অল্বনিজে আজি ভিক্টৰিয়াৰ গৱৰ্ণৰ হাউছত আয়োজিত তৃতীয় ভাৰত অষ্ট্ৰেলিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত সামৰণিৰ অন্তত যুটিয়া বিবৃতি জাৰি কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কলৈ অহা ৰূপান্তৰকাৰী পৰিৱৰ্তনৰ প্ৰতি আদৰণি জনায় আৰু আঞ্চলিক সুস্থিৰতা, শক্তি সুৰক্ষা তথা প্ৰযুক্তিগত উদ্ভাৱনৰ বাবে ৰূপৰেখাৰ চূড়ান্ত ৰূপ দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ সহযোগিতাক ভৱিষ্যতমুখী দৃঢ় আৰু স্থায়ী সম্বন্ধ বুলি অভিহিত কৰে। সংবাদমাধ্যমৰ সৈতে হোৱা কথা-বতৰাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে দুয়োখন দেশৰ মাজৰ সম্পৰ্কই পাৰস্পৰিক বিশ্বাসৰ ভিত্তিত নতুন আৰু ব্যাপক যুগত প্ৰৱেশ কৰিছে। ইপিনে, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী অল্বনিজে কয়, যে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ সম্পৰ্ক ইয়াৰ আগেয়ে কেতিয়াও ইমান গতিশীল আৰু ব্যাপক নাছিল। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি আৰু সুস্থিৰতা সুনিশ্চিত কৰাৰ বাবে দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা সম্পৰ্কীয় ঐতিহাসিক যুটীয়া ঘোষণাপত্ৰত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰীদ্বয়ে লগতে দুয়োখন দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ মাজত বাৰ্ষিক আলোচনাক আনুষ্ঠানিক ৰূপ প্ৰদান তথা উমৈহতীয়া সামুদ্ৰিক সহযোগিতাৰ বিশদ পৰিকল্পনাৰ শুভাৰম্ভ কৰে। দেশদুখনে বৃহৎ সাফল্য

হিচাপে পৰমাণু সহযোগিতা চুক্তিৰ অধীনত চূড়ান্ত প্ৰশাসনিক ব্যৱস্থাতো স্বাক্ষৰ কৰে। ইয়াৰ ফলত ভাৰতৰ নিকা শক্তি ৰূপান্তৰ যাত্ৰাৰ বাবে অষ্ট্ৰেলিয়াৰ পৰা দীৰ্ঘকালীন ইউৰেনিয়াম আমদানি কৰাৰ পথ প্ৰশস্ত হ'ব।

ooooooooo

জম্মু-কাশ্মীৰত সুৰক্ষা বাহিনীয়ে কালি কাথুৱা জিলাত সন্ত্ৰাসবাদীৰ এটা ঘাটি উৎখাত কৰে আৰু দুটা হেণ্ড গ্ৰেনেড উদ্ধাৰ কৰে। আমাৰ আকাশবাণীৰ জম্মুৰ সংবাদাতাই জনোৱা অনুসৰি জিলাখনৰ বিলাৱাৰ এলেকাত অভিযান চলাই সুৰক্ষা বাহিনীয়ে সন্ত্ৰাসবাদী ঘাটিতো উৎখাত কৰিবলৈ সমৰ্থ হয়। বিগত এবছৰ ধৰি আন্তৰ্জাতিক সীমান্তৰে সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশত সহায় কৰি অহাৰ অভিযোগ উঠা ৰাজবাগৰ বাসিন্দা হাজি লতিফক ২ জুলাইত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। হাজি লতিফৰ স্বীকাৰোক্তিৰ ভিত্তিতে কালিৰ অভিযানটো চলোৱা হয়। ইপিনে সীমান্ত সুৰক্ষা বাহিনীয়ে কালি হীৰা নগৰৰ ছেক্টৰৰ সীমান্তৱৰ্তী গাঁও বডিয়াৰ পৰা এজন সন্দেহযুক্ত লোকক আটক কৰে। প্ৰেম নামৰ ৪৫ বছৰীয়া লোকজনক সোধা-পোছাৰ আৰক্ষীক চমজাই দিয়া হয়।

oooooooo

কৃষি যান্ত্ৰিকীকৰণৰ উপ-অভিযানৰ অধীনত চৰকাৰে বৰ্তমানলৈ সমগ্ৰ দেশৰ ব্যক্তিগত খেতিয়কসকললৈ ৯ হাজাৰ ৪০৪ কোটি টকা মূল্যৰ প্ৰায় ২২ লাখ কৃষি যন্ত্ৰ বিতৰণ কৰিছে। কৃষি যান্ত্ৰিকীকৰণৰ প্ৰসাৰৰ উদ্দেশ্যে ২০১৪-১৫ চনত আৰম্ভ কৰা এই অভিযানে দেশত কৃষিজাত সামগ্ৰী উৎপাদন বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই অভিযানৰ জৰিয়তে কৃষি কৰ্মৰ বাবে যন্ত্ৰ, আহিলাপাতি আৰু অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। কৃষি যন্ত্ৰ আৰু প্ৰযুক্তি লাভৰ ক্ষেত্ৰত থকা আঞ্চলিক বৈষম্য দূৰ কৰাৰ উদ্দেশ্যে এই অভিযানৰ অধীনত তুলনামূলকভাৱে কম সুবিধাপ্ৰাপ্ত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে।

ooooooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত ফ্ৰান্স আৰু মৰক্কো প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি আজি নিশা ডেৰ বজাত অনুষ্ঠিত হ'ব। কাইলৈ ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত স্পেইন, বেলজিয়ামৰ সন্মুখীন হ'ব।

ফ্ৰান্স, মৰক্কো, নৰৱে, ইংলেণ্ড, স্পেইন, বেলজিয়াম, আৰ্জেণ্টিনা আৰু ছুইজাৰলেণ্ডে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা কৰিব।

ooooooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি নিশা ব্ৰিষ্টলৰ কাউণ্টি গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ১০ বজাত আৰম্ভ হ'ব। শৃংখলাটোত সম্প্ৰতি ২-০ত পিছপৰি থকা ভাৰতে বাবে আজিৰ খেলখনত জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। ইংলেণ্ডৰ বিৰুদ্ধে তৃতীয়খন খেলত ১২৫ ৰানত পৰাজিত হোৱাৰ পাছত অধিনায়ক শ্ৰেয়াছ আয়াৰ আৰু মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰ অত্যন্ত চাপত আছে।

ooooooooo

সমাপ্ত